# অধ্যায় ৬ ঃ আধুনিক অসমীয়া নাটকৰ সাধাৰণ পৰিচয় — ১

## অধ্যায় গাঁথনি


৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ আধুনিক অসমীয়া নাটকৰ আৰম্ভণি

৬.৩.১ প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া নাটক

৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৫ অধিক জানিবলৈ

৬.৬ অগ্ৰগতিৰ খতিয়ান

৬.৭ আৰ্হি প্ৰশ্ন


## ৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আধুনিক অসমীয়া নাটকৰ সৃষ্টি কেনেদৰে হৈছিল সেই বিষয়ে সম্যক ধাৰণা লাভ কৰিব
- আধুনিক অসমীয়া নাটকৰ প্ৰস্তুতি পৰ্বৰ নাটক তথা নাট্যকাৰসকলৰ বিষয়ে অৱগত হ'ব
- প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া নাটকৰ ইতিহাস তথা নাট্যকাৰসকলৰ বিষয়ে জ্ঞাত হ'ব।

## ৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি শংকৰোত্তৰ কালৰ এখন উল্লেখযোগ্য নাট শ্ৰীৰাম আতা বিৰচিত *সুভদ্ৰাহৰণ*ৰ বিষয়ে বহলাই অধ্যয়ন কৰিলে। সেই অধ্যায়টোত আলোচনাৰ প্ৰসংগত নাট্যকাৰ শ্ৰীৰাম আতাৰ জীৱন আৰু কৃতি সম্পৰ্কেও আলোকপাত কৰা হ'ল। এইটো অধ্যায়ত আমি আধুনিক অসমীয়া নাটকৰ বিষয়ে চমুকৈ আলোচনা কৰিম। মূলতঃ প্ৰাক্-স্বাধীনতা কালৰ আধুনিক অসমীয়া নাটক সম্পৰ্কে অধ্যায়টোত আলোকপাত কৰা যাব।

পূৰ্বৱৰ্তী পাঁচটা অধ্যায়ত আমি মূলতঃ শংকৰ গুৰুজনাই আৰম্ভ কৰা অংকীয়া নাট পৰম্পৰাৰ বিষয়ে আলোচনা কৰাৰ লগতে চাৰিগৰাকী নাট্যকাৰৰ চাৰিখন নাট বহলাই অধ্যয়ন কৰিলোঁ। এই গোটেই কেইখন নাট অংকীয়া শৈলীত ৰচিত। অসমত ব্ৰিটিছসকলে প্ৰৱেশ কৰাৰ পাছতেই পশ্চিমীয়া আৰ্হিত বিবিধ ধাৰাৰ সাহিত্য ৰচনাৰ পৰম্পৰাৰ শুভাৰম্ভ ঘটে। এই সম্পৰ্কে সাহিত্যৰ বুৰঞ্জীত আপুনি অধ্যয়ন কৰি আহিছে। অসমীয়া নাটকৰ ক্ষেত্ৰখনো ইয়াৰ পৰা বাহিৰত

নাছিল। তদানীন্তন সময়তে আধুনিক অসমীয়া নাটকৰ জন্ম হয়। এই অধ্যায়টোত আধুনিক অসমীয়া নাটক কেনেদৰে আৰম্ভ হ'ল আৰু কোন কোন নাট্যকাৰে কেনেদৰে অৱদান আগ বঢ়ালে সেই বিষয়ে আলোকপাত কৰা যাব। মন কৰিব যে এইটো অধ্যায়ত কেৱল প্ৰাক্-স্বাধীনতাকালীন আধুনিক অসমীয়া নাটকৰ বিষয়েহে উল্লেখ কৰা যাব। পৰৱৰ্তী অধ্যায়টোত স্বাধীনোত্তৰ কালৰ আধুনিক অসমীয়া নাটক সম্পৰ্কে আলোচনা কৰা হ'ব। অৱশ্যে, এটা কথা উল্লেখযোগ্য যে, ইয়াত কেৱল সাহিত্যিক দিশৰ পৰাহে আধুনিক অসমীয়া নাটকৰ ইতিহাস সম্পৰ্কে আলোচনা কৰা হৈছে। পৰিৱেশনগত দিশৰ পৰা চাবলৈ গ'লে আধুনিক অসমীয়া নাটকৰ ইতিহাস কিছু পৃথক হ'ব। অধ্যায়টো অধ্যয়ন কৰি আপুনি সামগ্ৰিকভাৱে প্ৰাক্-স্বাধীনতা কালৰ আধুনিক অসমীয়া নাটকৰ ইতিহাস সঠিকভাৱে অনুধাৱন কৰিব পাৰিব।

## ৬.৩ আধুনিক অসমীয়া নাটকৰ আৰম্ভণি

অসমীয়া নাট্য সাহিত্যৰ ইতিহাস বিচাৰ কৰিলে দেখা যায় যে অসমীয়া নাটকৰ প্ৰাচীন আৰু গৌৰৱময় অংকীয়া নাটৰ ঐতিহ্য আধুনিক অসমীয়া নাটকলৈ বিস্তাৰিত নহ'ল। বৰং পাশ্চাত্য নাটকৰ ভাবধাৰা আৰু আদৰ্শহে আধুনিক নাটকৰ বুনিয়াদ ৰূপে পৰিগণিত হ'ল। অসমৰ সামাজিক-ৰাজনৈতিক স্তৰত চলা অস্থিৰতাৰ বাবে ১৮২৬ খ্ৰীঃত ইয়াণ্ডাবু সন্ধি মৰ্মে অসম ব্ৰিটিছৰ অধীনলৈ যায়। তেওঁলোকৰ আগমনে অসমীয়া সমাজ জীৱনত আমূল পৰিৱৰ্তন ঘটায়। পশ্চিমীয়া শিক্ষা, ধ্যান-ধাৰণাৰে পুষ্ট হৈ অসমীয়া সাহিত্যসেৱীসকলেও তেওঁলোকক অনুকৰণ কৰি নাটক লিখিবলৈ আৰম্ভ কৰে। ফলস্বৰূপে ১৮৫৭ চনত গুণাভিৰাম বৰুৱাৰ হাতত *ৰাম-নৱমী নাটক* নামেৰে প্ৰথম অসমীয়া আধুনিক নাটকৰ উন্মেষ ঘটে। *অৰুনোদই*ৰ পাতত ছোৱা-ছোৱাকৈ প্ৰকাশ পোৱা এই নাটকখন পিছে সেই সময়ত মঞ্চস্থ হোৱা নাছিল। তদুপৰি তেওঁ মঞ্চক উপলক্ষ্য কৰি নাটক ৰচনাত প্ৰবৃত্ত হোৱা নাছিল; হৈছিল অসমৰ সমাজ সংস্কাৰৰ প্ৰচেষ্টা তথা সদ্যোজাত কৌতূহলবশতঃ। এহাতে পশ্চিমীয়া বিয়োগান্তক নাটকৰ প্ৰভাৱ আৰু আনহাতে ঊনবিংশ শতিকাত বংগদেশৰ সংস্কাৰ আন্দোলনৰ টৌত অহা ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ বিধবা বিবাহৰ আদৰ্শৰ প্ৰভাৱ আৰু লগতে অসমৰ সমাজ জীৱনত প্ৰচলিত বাল্য বিবাহ আৰু বাল বিধবাৰ সমস্যাৰ প্ৰতি সংস্কাৰমূলক দৃষ্টি আদিৰ সমন্বিতে *ৰাম নৱমী নাটক* ৰচিত হোৱা বুলি ক'ব পাৰি। এইখন নাটকৰ যোগেদি সংস্কাৰধৰ্মী বক্তব্যৰে আধুনিক অসমীয়া সামাজিক নাটক ৰচনাৰ প্ৰথম খুটি পোতা হয়।



**জানি থোৱা ভাল**

গুণাভিৰাম বৰুৱাই লিখা নাটকখনৰ নাম বহু পুথিত *ৰাম-নৱমী* বুলি উল্লেখ কৰা দেখা যায়। কিন্তু গুণাভিৰাম বৰুৱাই লিখা নাটকখনৰ নাম ছপা আখৰত *ৰাম-নৱমী নাটক* হিচাপেহে উল্লেখ আছিল। সেয়ে আমি তেনেদৰে লিখাহে উচিত।

১৮৬১ চনত হেমচন্দ্ৰ বৰুৱাই লিখি উলিয়ালে *কানীয়াৰ কীৰ্ত্তন*। সেই বছৰেই শিৱসাগৰত অস্থায়ী মঞ্চত এই নাটকখন মঞ্চস্থ কৰা হয়। উল্লেখযোগ্য যে এইখনেই শিৱসাগৰত (অসমত!) অভিনীত হোৱা আধুনিক মঞ্চৰ প্ৰথম অসমীয়া নাটক। ১৮৭১ চনত ৰুদ্ৰৰাম বৰদলৈয়ে ৰচনা কৰে *বঙাল বঙালনী*। নগাঁওৰ হয়বৰগাঁও বীণাপাণি নাট্য মন্দিৰ (সেই সময়ত স্থায়ী মঞ্চ নাছিল)ত এই নাটকখন অভিনীত হৈছিল। সেই সময়ৰ আন এগৰাকী প্ৰধান অসমীয়া নাট্যকাৰ হ'ল ৰমাকান্ত চৌধুৰী। তেওঁ লিখি উলিয়াইছিল *সীতাহৰণ* আৰু *ৰাৱণ বধ*(১৯৭০-৮০)। ৰমাকান্ত চৌধুৰীয়ে লিখি উলিওৱা *সীতাহৰণ* আৰু *ৰাৱণ বধ* নামৰ নাটক দুখনৰ ৰচনাৰ সঠিক চন গম পোৱা নাযায়, তদুপৰি এই নাটক দুখন অধুনা লুপ্ত। অতুলচন্দ্ৰ হাজৰিকাই মত পোষণ কৰিছে যে— "ৰমাকান্তৰ *অভিমন্যু বধ* ১৮৭৪ চনত ছপা হৈছিল আৰু তেতিয়াই *সীতাহৰণো* ছপা হৈ ওলাইছিল বুলি ভাবিব পাৰি। *ৰাৱণ বধ* ছপা নহ'লেই। দুয়োখন নাটেই যোৱা শতিকাৰ ৮ম দশকত ৰচনা কৰা হৈছিল নিশ্চয়।" ঠিক সেইদৰে হৰিচন্দ্ৰ ভট্টাচাৰ্যই মন্তব্য দিছে— "...নাটকখনৰ ৰচনাৰ কাল অন্ততঃ ১৮৭০ খৃষ্টাব্দৰ আগৰ নহয়; প্ৰকাশৰ সময় অনিশ্চিত।" শৈলেন ভৰালীয়ে এই বিষয়ে কৈছে— "পৌৰাণিক নাটকৰ জন্ম হয় ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত ৰমাকান্ত চৌধুৰীৰ হাতত। তেওঁৰ *সীতাহৰণ* আৰু *ৰাৱণ বধ* ১৯৭০-৮০ৰ ভিতৰত ৰচিত বুলি অনুমান কৰা হৈছে।" স্মৰণযোগ্য যে, সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে, *সীতাহৰণ* নাটকখনেই আধুনিক অসমীয়া সাহিত্যৰ প্ৰথম পৌৰাণিক নাটক। এই নাটক দুখনো সেই সময়ত অসমৰ বিভিন্ন অস্থায়ী মঞ্চত পৰিৱেশিত হৈছিল বুলি নাটকৰ ইতিহাসকাৰসকলে উল্লেখ কৰি গৈছে।

এই পাঁচখনেই হৈছে প্ৰাৰম্ভিক স্তৰৰ আধুনিক অসমীয়া নাটক আৰু এনেদৰেই অসমীয়া আধুনিক নাটকৰ শুভাৰম্ভ হ'ল। মন কৰিবলগীয়া যে, সামাজিক নাটকেৰে আধুনিক অসমীয়া নাট্য ধাৰাটোৰ শুভাৰম্ভ হ'ল যদিও তাৰ পাছত ৰচিত অধিকাংশ নাটক হ'ল পৌৰাণিক নাটক।



**জানি থোৱা ভাল**

পণ্ডিত সমালোচক সত্যেন্দ্ৰনাথ শৰ্মাই *অসমীয়া নাট্য সাহিত্যত* পৌৰাণিক নাটকৰ কিছুমান সাধাৰণ বিশেষত্বৰ কথা আলোচনা কৰিছে। সেই বিশেষত্বসমূহ হৈছে ক্ৰমে— ১) আখ্যানৰ ধৰ্মমূলকতা, ২) অতি প্ৰাকৃত বা অলৌকিক প্ৰসঙ্গৰ অৱতাৰণা, ৩) ইতিহাসে ঢুকি নোপোৱা অতি প্ৰাচীন কালৰ জীৱনধাৰাৰ চিত্ৰণ, যি সময়ত ধৰ্মনীতি, প্ৰেম আদিৰ ভাৱনা আধুনিক কালৰ পৰা কিছু পৃথক আছিল, ৪) ভাগ্য চক্ৰ বা নিয়তি আৰু কৰ্মফলৰ প্ৰভাৱ, ৫) ধৰ্মৰ জয় আৰু অধৰ্মৰ পৰাজয় আৰু নৈতিক আদৰ্শ প্ৰচাৰ। প্ৰাচীন গ্ৰীক ট্ৰেজেদিৰ Fate বা নিয়তিৰ যি অখণ্ড প্ৰভাৱ পৰিলক্ষিত হয় ঠিক তেনে ধৰণৰ নিয়তিৰ ক্ৰূৰ পৰিহাস আৰু প্ৰভাৱ আমাৰ পৌৰাণিক নাটকত নাই যদিও স্থান বিশেষে দেৱতাৰ দ্ব্যৰ্থক বৰ প্ৰদানে নিয়তিৰ প্ৰভাৱ প্ৰদৰ্শন নকৰাকৈ থকা নাই। সেই প্ৰভাৱৰ পৰিণতি সকলো সময়তে অৱশ্যে শোকাবহ নহয়।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** প্ৰথম আধুনিক অসমীয়া নাটকখনৰ নাম কি? এইখন কোনে লিখিছিল আৰু ক'ত প্ৰকাশ হৈছিল?

..............................................................................................

..............................................................................................

**প্ৰশ্ন নং ২ ঃ** ৰমাকান্ত চৌধুৰীয়ে লিখি উলিওৱা *সীতাহৰণ* আৰু *ৰাৱণ বধ* নামৰ নাটক দুখনৰ ৰচনাৰ সময় কেতিয়া বুলি সমালোচকসকলে মত পোষণ কৰে ?

..............................................................................................

..............................................................................................

## ৬.৩.১ প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া নাটক

পূৰ্বৱৰ্তী শাখাত আলোচনা কৰা পাঁচোখন নাটক প্ৰাক্-স্বাধীনতা কালতে ৰচিত যদিও আলোচনাৰ সুবিধা তথা অসমীয়া আধুনিক নাটকৰ আৰম্ভণি পৰ্বৰ সঠিক ধাৰণা প্ৰদান কৰিবলৈকে বেলেগে উল্লেখ কৰা হ'ল। এই উপ-শাখাত তাৰ পৰৱৰ্তীকালত ৰচিত নাটকসমূহৰ বিষয়ে আলোচনা কৰা হ'ব। প্ৰাক্-স্বাধীনতা কালত কলিকতাখন (অধুনা কলকাতা) হৈ পৰিছিল উচ্চ শিক্ষাৰ থলী। কলকাতাত পঢ়িবলৈ যোৱা অসমীয়া ছাত্ৰসকলে তাতে উচ্চ শিক্ষা গ্ৰহণ কৰি থকা কালতে অসমীয়া সাহিত্য-সংস্কৃতিৰ উন্নতিৰ বাবেও যত্নপৰ হ'ল। এই সময়ছোৱাতে লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰকুমাৰ আগৰৱালা, পদ্মনাথ গোহাঞিবৰুৱা, দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা, বেণুধৰ ৰাজখোৱা, চন্দ্ৰধৰ বৰুৱা আদিৰ হাতত অসমীয়া সাহিত্যৰ প্ৰতিটো দিশেই ঠন ধৰি উঠিল। কলকাতাত অধ্যয়নৰত অসমীয়া ছাত্ৰ ঘনশ্যাম বৰুৱা, ৰমাকান্ত বৰকাকতী, ৰত্নধৰ বৰুৱা আৰু গুঞ্জানন বৰুৱাই সেই সময়তে শ্বেইক্সপীয়েৰৰ *কমেডী অৱ এৰৰচ* নাটকখন অসমীয়ালৈ *ভ্ৰমৰংগ* নামেৰে অভিযোজনা কৰি কলকাতাত মঞ্চস্থ কৰে। *ভ্ৰমৰংগ* নাটকখন অনুবাদ বুলি নকৈ অভিযোজনা কৰা বুলি কোৱা হৈছে এই কাৰণেই যে এইখন ইংৰাজীৰ *কমেডি অব এৰৰচ* নাটকখনৰ হুবহু অনুবাদ নহয়। "ইংৰাজী পৰিৱেশৰ মাজতে অসমীয়া পৰিৱেশ সৃষ্টি কৰি লিখকসকলে ইংৰাজী নাটকৰ অসমীয়া ভাঙনিৰ এটা অভিনৱ কৌশল ইয়াতেই পোন প্ৰথমে দেখুৱালে।" কলকাতাৰ 'ভবানীচৰণ দত্ত লেন' আৰু 'মীৰ্জ্জাপুৰৰ ষ্ট্ৰীট'ত এই নাটকখন প্ৰথমে অভিনীত হৈছিল। ১৮৯০ চনত 'পটুৱাটোল'ত ৰংগমঞ্চ পাতি ৰাজহুৱাভাৱে এই নাটকখন মঞ্চস্থ কৰা হয়।

১৯০০ খ্ৰীঃত পদ্মনাথ গোহাঞিবৰুৱাই লিখি উলিয়ালে *জয়মতী*। এইখন প্ৰথম অসমীয়া বুৰঞ্জীমূলক নাটক। অৱশ্যে ইয়াৰ আগতেই *গাঁওবুঢ়া* (১৮৯৭) নাটকেৰে

তেওঁ অসমীয়া নাট্য ক্ষেত্ৰখনত ভুমুকি মাৰিছিল। পৰৱৰ্তীকালত গোহাঞিবৰুৱাই লিখি উলিয়ালে *গদাধৰ* (১৯০৭), *টেটোন তামুলী* (১৯০৯), *সাধনী* (১৯১০), *লাচিত বৰফুকন* (১৯১৫), *ভূত নে ভ্ৰম* (১৯২৪), *বাণৰজা* (১৯৩৩) আদি নাটক। লক্ষ্মীনাথ বেজবৰুৱাইও ৰসৰ ভাণ্ডাৰ মেলি লিখি উলিয়ালে *লিতিকাই* (১৮৮৯), *নোমল* (১৯১৩), *পাঁচনি* (১৯১৩) আৰু *চিকৰপতি নিকৰপতি* (১৯১৩)। বুৰঞ্জীৰ কাহিনীৰ আলমত *চক্ৰধ্বজ সিংহ* (১৯১৫), *বেলিমাৰ* (১৯১৫), *জয়মতী কুঁৱৰী* (১৯১৫), *গদাধৰ ৰজা* (১৯১৮) আদি। এইসময়তে পদুম বৰুৱা, নবীন বৰদলৈ, ৰজনী বৰদলৈ, ৰত্নেশ্বৰ মহন্ত, বুধীন্দ্ৰনাথ ভট্টাচাৰ্য, বেণুধৰ ৰাজখোৱা, হৰেশ্বৰ শৰ্মা বৰুৱা, পূৰ্ণকান্ত দেৱশৰ্মা, দুৰ্গানাথ চাংকাকতী, দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা আদিয়েও বিভিন্ন নাটক ৰচনা কৰিছিল। ইয়াৰে ভিতৰত পূৰ্ণকান্ত দেৱশৰ্মাৰ *হৰিচন্দ্ৰ নাটক* (১৮৯৩), বেণুধৰ ৰাজখোৱাৰ *সেউতি-কিৰণ* (১৮৯৪), মজিন্দাৰ বৰুৱাৰ *মহৰী* (১৮৯৬) আদি উল্লেখযোগ্য।

এইদৰে শতিকাটোৰ প্ৰথম দশকত পৌৰাণিক আখ্যানভিত্তিক, বুৰঞ্জীমূলক আৰু কিছু সামাজিক ভাবধাৰাৰ হাস্যৰসাত্মক বা ব্যংগাত্মক ৰচনাৰ মাজেদি অসমীয়া নাট্য সাহিত্যৰ ভেটি এটা গঢ় লৈ উঠে। এই শতিকাটোৰ প্ৰথমটো দশকতে চন্দ্ৰধৰ বৰুৱাই ৰচনা কৰে *মেঘনাদ বধ* (১৯০৪)। এই নাটকখন অসমীয়া পৌৰাণিক নাটকৰ প্ৰগতিৰ প্ৰথমস্তম্ভ (milestone) বুলিব পাৰি বুলি সত্যেন্দ্ৰনাথ শৰ্মাই মন্তব্য কৰিছে। কাৰণ এই নাটকখনৰ বিষয়বস্তু আৰু ভাষা মাইকেল মধুসূদন দত্তৰ *মেঘনাদ বধ* কাব্যৰ পৰা চয়ন কৰা হৈছে যদিও অসমীয়া নাট্যকাৰে ইমান সাৱলীল তথা সুষমভাৱে অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ কৰিছে যে সেয়া শলাগিবলগীয়া। তদুপৰি অসমীয়া নাট্য ইতিহাসত অমিত্ৰাক্ষৰ ছন্দ প্ৰয়োগৰ এয়াই প্ৰথম প্ৰয়াস।

এই শতিকাৰ দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ দশকত অসমীয়া নাট্য সাহিত্যৰ ধাৰাটো অধিক ঠন ধৰি উঠিল। তেওঁলোকৰ ভিতৰত মুঠ পঞ্চল্লিশখন নাটকেৰে অতুলচন্দ্ৰ হাজৰিকাই আৰু নকুলচন্দ্ৰ ভূঞাই সাতখন নাটকেৰে অসমীয়া নাটকৰ ক্ষেত্ৰখনলৈ অৰদান আগ বঢ়ালে। অতুলচন্দ্ৰ হাজৰিকা আৰু নকুলচন্দ্ৰ ভূঞাই এই সময়ছোৱাতে তেওঁলোকৰ নাট্য জীৱনৰ পাতনি মেলিছিল আৰু স্বৰাজোত্তৰ কালতো কেইবাখনো নাটকেৰে অসমীয়া নাট্য ক্ষেত্ৰলৈ অৰদান আগ বঢ়াইছিল। সেই সময়ৰ শ্ৰেষ্ঠ নাট্যকাৰসকলৰ ভিতৰত গণেশ গগৈ আছিল অন্যতম। তেওঁৰ *শকুনিৰ প্ৰতিশোধ* (১৯২৯) আৰু *কাশ্মীৰ কুমাৰী* (তৃতীয় সংস্কঃ ১৯৬৩) দুখন মঞ্চ সফল নাটক। এই সময়ত আৰু বহু নাট্যকাৰে অসমীয়া নাটকৰ ভঁৰাল সমৃদ্ধ কৰিছিল। মিত্ৰদেৱ মহন্তই *কুকুৰীকণাৰ আঠমঙলা* (১৯১৭), *বৈদেহী বিয়োগ* (ৰ. ১৯৩০), *বিয়া বিপৰ্যয়* (১৯২৪); ইন্দ্ৰেশ্বৰ বৰঠাকুৰে *শ্ৰীবৎসচিন্তা* (১৯২৭); নবীনচন্দ্ৰ বৰদলৈয়ে *গৃহলক্ষ্মী* (১৯১১); দুৰ্গেশ্বৰ শৰ্মাই *পাৰ্থ পৰাজয়* (১৯০৯); পাৰ্বতিপ্ৰসাদ বৰুৱাই *সোণৰ সোলেঙ* (১৯১৯); কামাখ্যানাথ ঠাকুৰে *বেউলা* (১৯৩৩); দণ্ডিনাথ কলিতাই *সতীৰ তেজ* (১৯৩১);

নকুলচন্দ্ৰ ভূঞাই *বদন বৰফুকন (১৯২৭), চন্দ্ৰকান্ত সিংহ (১৯৩১);* দৈৱচন্দ্ৰ তালুকদাৰে *বামুণীকোঁৱৰ (১৯২৯);* প্ৰসন্নলাল চৌধুৰীয়ে *নীলাম্বৰ*(১৯৩৩); কমালানন্দ ভট্টাচাৰ্যই *নগাকোঁৱৰ*(১৯৩৫); ৰাধানাথ সন্দিকৈয়ে *মুলাগাভৰু*(১৯২৪); পাজিৰুদ্দিন আহমেদে *গুলেনাৰ* (১৯২৪) আদি নাটক ৰচনা কৰি অসমীয়া নাট্য সাহিত্যলৈ বৰঙণি আগ বঢ়ালে। এওঁলোকৰ উপৰি প্ৰাক্-স্বাধীনতাৰ কালছোৱাত পদ্মধৰ চলিহা, বিনন্দ চন্দ্ৰ বৰুৱা, কুমুদ চন্দ্ৰ বৰুৱা ইত্যাদি নাট্যকাৰসকলেও অসমীয়া নাটকৰ ক্ষেত্ৰখনক ত্বৰিত কৰিবলৈ সততে যত্নপৰ হৈছিল।

প্ৰাক্-স্বাধীনতাৰ কালছোৱাৰ আটাইতকৈ শক্তিশালী নাট্যকাৰজন হ'ল জ্যোতিপ্ৰসাদ আগৰৱালা। অসমীয়া আধুনিক নাটকৰ ধাৰাটোৱে জ্যোতিপ্ৰসাদ আগৰৱালাৰ হাতত নতুন সুঁতি গ্ৰহণ কৰিলে। *শোণিত কুঁৱৰী* (১৯২৫) নাটকেৰে অসমীয়া নাট্য ক্ষেত্ৰত খোজ পেলোৱা জ্যোতিপ্ৰসাদে এই নাটকখনত পৌৰাণিক আখ্যানটোত নতুন ভাব আৰু সৌন্দৰ্য আৰোপ কৰিলে। জ্যোতিপ্ৰসাদে এই নাটকখনত অসমৰ থলুৱা গীত আৰু সুৰৰ সংযোজন কৰি অসমীয়া নাটকক নতুন ৰহন দিলে। জ্যোতিপ্ৰসাদে বাস্তৱবাদী চিন্তা চৰ্চা, অপূৰ্ব গীতিময়তা, ৰূপকধৰ্মিতা, ভাষাৰ সৌন্দৰ্য, বক্তব্যৰ প্ৰাসংগিকতা তথা বৈচিত্ৰ্যময়তাৰে অসমীয়া নাট্য ক্ষেত্ৰলৈ নতুনত্ব আদৰি আনিলে। তেওঁ *ৰূপালীম* (১৯৩৬), *কাৰেঙৰ লিগিৰী* (১৯৩৭), *নিমাতী কইনা* (১৯৬৪), *লভিতা* (১৯৪৮) নাটকেৰে অসমীয়া নাট্য সাহিত্যত বাস্তৱবাদী চিন্তা চৰ্চা আৰম্ভ কৰে। নাটকৰ পৰিৱেশনগত দিশতো নতুনত্বৰ চাপ পৰিল। অৰ্থাৎ হৰিচন্দ্ৰ ভট্টাচাৰ্যৰ ভাষাৰে অসমীয়া আধুনিক নাটকে দ্বিতীয় এটি স্তৰত ভৰি দিলে। এই সময়ছোৱাতে অসমীয়া নাটকত সহ-অভিনয় আৰম্ভ হয়, ছন্দোবদ্ধ সংলাপৰ ঠাইত স্বাভাৱিক বাক্-ভংগী ব্যৱহৃত হয়। এনেদৰেই প্ৰাক্-স্বাধীনতা কালত অসমীয়া নাটকৰ ধাৰাটোৱে ব্যাপক ৰূপ লাভ কৰে।

অৱশ্যে মন কৰিবলগীয়া যে, এই কালছোৱাত পৌৰাণিক নাটকতকৈ ঐতিহাসিক নাটকে বেছি প্ৰাধান্য লাভ কৰিছিল। স্বদেশ প্ৰেম আৰু জাতীয়তাবোধ জাগ্ৰত কৰাৰ উদ্দেশ্যেই এনে নাটক লিখা হৈছিল যদিও অধিক ক্ষেত্ৰতে দেখা যায় যে, তেনে ধৰণৰ উদ্দেশ্যৰ প্ৰতি অত্যাধিক সচেতনতাই নাট্যকাৰসকলক বহু পৰিমাণে ভাবপ্ৰৱণ কৰি তুলিছিল। স্বদেশপ্ৰীতি আৰু অতীতৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাবেই এই শ্ৰেণী নাটকৰ মূল উপজীব্য। জাতীয় চৈতন্যৰ অভ্যুত্থান আৰু দেশৰ প্ৰাচীন ঐতিহ্যৰ প্ৰতি আস্থা, অতীতৰ বীৰ-বীৰাংগনাসকলৰ বীৰত্ব, শৌৰ্য-বীৰ্য, গুণ-গৰিমাৰ পৰা পোৱা প্ৰেৰণাতেই ঐতিহাসিক বা বুৰঞ্জীমূলক নাটকৰ উত্থান হয়। পুৰণি বুৰঞ্জীৰ পুনৰুদ্ধাৰ, অতীত গৌৰৱ উদ্ধাৰ আদিকে মূল বিষয় কৰি ল'লে কেতিয়াবা অৱশ্যে নাটকৰ সৌন্দৰ্য বিঘ্নিত নোহোৱাকৈও নাথাকে। স্বাধীনতা লাভৰ আগলৈকে অসমীয়া মানুহৰ মন জাতীয়তাবাদী ভাবধাৰাৰে উদ্বুদ্ধ হৈ পৰিছিল। দেশৰ মানুহক নিজ দেশৰ প্ৰাচীন গৌৰৱ

আৰু ঐতিহ্যৰ কথা সোঁৰৰাই দি তেওঁলোকৰ মনতো জাতীয় চেতনাৰ উদ্রেক কৰিব বিচৰা হৈছিল। পৰাধীন জাতিৰ মাজত দেশপ্ৰেমৰ বন্যা নমাই অনাত ই ভালেখিনি সহায় কৰিছিল। ঐতিহাসিক নাটকবিলাকত জাতীয় জীৱনৰ প্ৰভাৱ স্পষ্ট।



**জানি থোৱা ভাল**

ইক্সিলাচৰ পাৰ্চি (Persians) নামৰ নাটকখনেই সম্ভৱতঃ পাশ্চাত্য সাহিত্যত প্ৰথম ঐতিহাসিক নাটক। প্ৰাচীন সংস্কৃত সাহিত্যৰ *মালৱিকাগ্নিমিত্ৰম্, মুদ্ৰাৰাক্ষসম্* আদি নাটকৰ কাহিনী কিছু পৰিমাণে ঐতিহাসিক ঘটনাৰ ওপৰত প্ৰতিষ্ঠিত।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৩ ঃ** প্ৰাক্-স্বাধীনতাৰ কালছোৱাৰ আটাইতকৈ শক্তিশালী নাট্যকাৰজন কোন?

.....................................................................................

**প্ৰশ্ন নং ৪ ঃ** গণেশ গগৈয়ে লিখা দুখন নাটকৰ নাম উল্লেখ কৰক।

.....................................................................................



## ৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া নাট্য সাহিত্যৰ ইতিহাস বিচাৰ কৰিলে দেখা যায় যে অসমীয়া নাটকৰ প্ৰাচীন আৰু গৌৰৱময় অংকীয়া নাটৰ ঐতিহ্য আধুনিক অসমীয়া নাটকলৈ বিস্তাৰিত নহ'ল। বৰং পাশ্চাত্য নাটকৰ ভাবধাৰা আৰু আদৰ্শহে আধুনিক নাটকৰ বুনিয়াদ ৰূপে পৰিগণিত হ'ল। আধুনিক অসমীয়া নাটকৰ আৰম্ভণি কেনেদৰে হ'ল সেই বিষয়ে অধ্যায়টোত আলোচনা কৰা হ'ল।
- গুণাভিৰাম বৰুৱাৰ *ৰাম-নৱমী নাটক*, হেমচন্দ্ৰ বৰুৱাৰ *কানীয়াৰ কীৰ্ত্তন*, ৰুদ্ৰৰাম বৰদলৈৰ *বঙাল বঙালনী* আৰু ৰমাকান্ত চৌধুৰীৰ *সীতাহৰণ, ৰাৱণ বধ* —এই পাঁচখনেই হৈছে প্ৰাৰম্ভিক স্তৰৰ আধুনিক অসমীয়া নাটক। ঊনবিংশ শতিকাৰ মাজ ভাগৰ পৰা সামাজিক নাটকেৰে আধুনিক অসমীয়া নাটকৰ ধাৰাটিৰ শুভাৰম্ভ ঘটে।
- প্ৰাক্-স্বাধীনতাৰ কালছোৱাত পৌৰাণিক নাটকতকৈ ঐতিহাসিক নাটকেহে বেছি প্ৰাধান্য লাভ কৰিছিল। স্বদেশ প্ৰেম আৰু জাতীয়তাবোধ জাগ্ৰত কৰাৰ উদ্দেশ্যেই এনে নাটক লিখা হৈছিল যদিও অধিক ক্ষেত্ৰতে দেখা যায় যে, তেনে ধৰণৰ উদ্দেশ্যৰ প্ৰতি অত্যাধিক সচেতনতাই

নাট্যকাৰসকলক বহু পৰিমাণে ভাবপ্ৰৱণ কৰি তুলিছিল। *শোণিত কুঁৱৰী* (১৯২৫) নাটকেৰে অসমীয়া নাট্য ক্ষেত্ৰত খোজ পেলোৱা জ্যোতিপ্ৰসাদ আগৰৱালাৰ হাতত প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া আধুনিক নাটকৰ ধাৰাটোৱে নতুন সুঁতি গ্ৰহণ কৰিলে। অধ্যায়টোত সেই সময়ৰ উল্লেখযোগ্য নাট্যকাৰ তথা তেওঁলোকৰ নাটকসমূহৰ নামো উল্লেখ কৰা হৈছে।



## ৬.৫ অধিক জানিবলৈ

**অসমীয়া গ্ৰন্থ ঃ**


১) অসম নাট্য সন্মিলন (১৯৯১); *ভৰতৰ নাট্যশাস্ত্ৰ;* নগাঁও ঃ অসম নাট্য সন্মিলন।

২) গোস্বামী, মৃণাল জ্যোতি (২০১১, ফেব্ৰুৱাৰী); 'সাম্প্ৰতিক অসমৰ নাট্য চৰ্চা ঃ কিছু প্ৰাসংগিক চিন্তা'; *গৰীয়সী;* পৃ. ৯৮-১০২।

৩) চেতিয়া, যোগেন (১৯৯৩); *আধুনিক নাট্যকলা;* যোৰহাট।

৪) তালুকদাৰ, ফণী (মুখ্য সম্পা.) (১৯৯৮); *অসমত নাট্য-পৰম্পৰা আৰু গতিধাৰা;* গুৱাহাটী ঃ নটসূৰ্য ফণী শৰ্মা সোঁৱৰণী সমিতি।

৫) দাস, নাৰায়ণ আৰু ৰাজবংশী, পৰমানন্দ (সম্পা.) (১৯৯৯); *অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৬) নেওগ, মহেশ্বৰ (১৯৮৭) *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৭) পাঠক, ৰমেশ (১৯৯১); *নাটক আৰু নাটক;* গুৱাহাটী ঃ বুকলেণ্ড।

৮) বৰুৱা, সত্যপ্ৰসাদ (১৯৯৪); *আধুনিক নাট্য-চিন্তা;* গুৱাহাটী ঃ লয়াৰ্ছ বুক ষ্টল।

৯) বাৎসায়ন, কপিলা (১৯৯৬ ); *পৰম্পৰাগত ভাৰতীয় নাট্য ঃ বহুমুখী ধাৰা;* (দত্ত, বীৰেন্দ্ৰনাথৰ অনু.) নতুন দিল্লী ঃ নেচনেল বুক ট্ৰাষ্ট (প্ৰথম প্ৰকাশ ১৯৭২)।

১০) ভট্টাচাৰ্য, কুলদা কুমাৰ (২০০৮); 'আধুনিক অসমীয়া নাটক ঃ পৰীক্ষা নিৰীক্ষা আৰু বিভিন্ন ধাৰা'; খাউণ্ড, ভূৱন আৰু তাঁতী, সমীৰ (সম্পা.)ৰ *স্মৃতিগ্ৰন্থ, নৰকৰ গোপন কক্ষ* (পৃ. ১৫-২১); গুৱাহাটী।

১১) ভট্টাচাৰ্য, হৰিচন্দ্ৰ (১৯৮৮); *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি (আদিৰ পৰা ১৯৬৭ চন পৰ্যন্ত);* গুৱাহাটী ঃ লয়াৰ্ছ বুক ষ্টল।

১২) ভৰালী, শৈলেন (২০০৮); *অসমীয়া নাটক ঃ স্বৰাজোত্তৰ কাল;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১৩) ভৰালী, শৈলেন (১৯৯২); *নাটক আৰু অসমীয়া নাটক;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

১৪) মহন্ত, পোনা (২০০৮); *নাটকৰ ৰং-ৰূপ;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

১৫) মহন্ত, পোনা (১৯৯৩); *প্ৰসংগ নাটক;* গুৱাহাটী ঃ পূৰ্বাঞ্চল প্ৰকাশ।

১৬) শৰ্মা, অৰুণ (সম্পা.) (২০০৭); *ডেৰশ বছৰৰ নিৰ্বাচিত অসমীয়া নাট্য সংকলন, প্ৰথম খণ্ড;* নগাঁও ঃ অসম নাট্য সন্মিলন।

১৭) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৫); *অসমীয়া নাট্য সাহিত্য;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১৮) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১৯) হাজৰিকা, অতুলচন্দ্ৰ (১৯৯৫); *মঞ্চলেখা;* গুৱাহাটী ঃ লয়াৰ্ছ বুক ষ্টল।

২০) শইকীয়া, অজিৎ (সম্পা.)(২০০৮); *ছশ বছৰৰ অসমীয়া নাটক ঃ পৰম্পৰা আৰু পৰিৱৰ্তন;* দুলীয়াজান ঃ পথাৰ প্ৰকাশ।

**ইংৰাজী গ্ৰন্থ ঃ**

২১) Baruah, S. P. (1996). *Assamese Theatre*. Guwahati: Padma Prakash.

২২) Bharali, S. (1980).*Tragic Outlook of the Assamese Drama*. New Delhi. s.n.

২৩) Craig, H. (1955). *English Religious Drama*. Oxford: Oxford University Press.

২৪) Mahanta, P. (1985). *Western Influence on Modern Assamese Drama.* Delhi: Mittal Publication.

২৫) Nicholl, A. (1969).*The Theory of Drama.* New Delhi: Doaba House.

২৬) Richmond, F. P. et. al (2007). *Indian Theatre : Traditions of Performance*. Delhi: Motilal Banarsidass Publishers Pvt. Ltd.

## ৬.৬ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** প্ৰথম আধুনিক অসমীয়া নাটকখনৰ নাম *ৰাম-নৱমী নাটক* । ১৮৫৭ চনত গুণাভিৰাম বৰুৱাই লিখা এই নাটকখন *অৰুনোদই*ৰ পাতত ছোৱা-ছোৱাকৈ প্ৰকাশ পাইছিল।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** অসমীয়া নাট্য সাহিত্যৰ সমালোচকসকলে এই দুখন নাটক ১৯৭০-৮০ৰ ভিতৰত ৰচিত বুলি মত পোষণ কৰিছে। অতুলচন্দ্ৰ হাজৰিকা, হৰিচন্দ্ৰ ভট্টাচাৰ্য, শৈলেন ভৰালী আদি প্ৰত্যেকজন নাট্য-সামালোচকে এই সময়সীমাৰ কথাই উল্লেখ কৰিছে।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** জ্যোতিপ্ৰসাদ আগৰৱালা।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** গণেশ গগৈয়ে লিখা দুখন নাটক হ'ল *শকুনিৰ প্ৰতিশোধ* আৰু *কাশ্মীৰ কুমাৰী*।

## ৬.৭ আৰ্হি প্ৰশ্ন

**বস্তুধৰ্মী প্ৰশ্ন**

**প্ৰশ্ন ১ ঃ** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক —

ক) জ্যোতিপ্ৰসাদ আগৰৱালাই লিখা প্ৰথমখন নাটকৰ নাম কি?

খ) ৰুদ্ৰৰাম বৰদলৈয়ে ৰচনা কৰে *বঙাল বঙালনী* নাটকখন পোনপ্ৰথমে ক'ত মঞ্চস্থ কৰা হৈছিল?

খ) পদ্মনাথ গোহাঞিবৰুৱাই লিখা প্ৰথমখন নাটকৰ নাম কি?

**প্ৰশ্ন ২ ঃ** সঁচা নে মিছা নিৰ্ণয় কৰক —

ক) নকুলচন্দ্ৰ ভূঞাই কেৱল দুখন নাটকহে লিখিছিল।

খ) *মেঘনাদ বধ* প্ৰথম পৌৰাণিক অসমীয়া নাটক।

**চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** আধুনিক অসমীয়া নাটকৰ পটভূমি সম্পৰ্কে আলোচনা আগ বঢ়াওক।

**প্ৰশ্ন ২ ঃ** প্ৰাৰম্ভিক স্তৰৰ আধুনিক অসমীয়া নাটক কেইখনৰ বিষয়বস্তু সম্পৰ্কে চমুকৈ লিখক।

**ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া নাটক সম্পৰ্কে এটি আলচ যুগুত কৰক।

**প্ৰশ্ন ২ ঃ** "প্ৰাক্-স্বাধীনতাৰ কালছোৱাত পৌৰাণিক নাটকতকৈ ঐতিহাসিক নাটকেহে বেছি প্ৰাধান্য লাভ কৰিছিল" — কথাযাৰৰ আধাৰত প্ৰাক্-স্বাধীনাত কালৰ অসমীয়া নাটক সম্পৰ্কে আলোকপাত কৰক।

*** ***** ***